**Assamese Department, Nonoi College.**
**Alumni Meet /2019**

**নৰৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন শিক্ষাৰ্থী সমাৰোহ**
**২৭ জানুৱাৰি ২০১৯**

আজি ইংৰাজী ২৭ জানুৱাৰি ২০১৯ তাৰিখে নৰৈ মহাবিদ্যালয়ত অসমীয়া বিভাগৰ এখনি প্ৰাক্তন শিক্ষাৰ্থী সন্মিলন অনুষ্ঠিত হয় । অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ৰূণু দেৱীয়ে সভাপতিত্ব কৰা সন্মিলখনিত বিভাগটোৰ অৰ্ধশতাধিক প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে । অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড০ বসন্ত বৰাই সকলোকে আদৰণি জনায় কয় যে নৰৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগ মহাবিদ্যালয়খনৰ এটি গৌৰৱশালী বিভাগ । বিভাগটোৱে প্ৰতি বৰ্ষতে ন ন কাৰ্যসূচী গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক প্ৰতিভা বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে । এই ক্ষেত্ৰত প্ৰাক্তন শিক্ষাৰ্থীসকলৰ সহযোগিতা নিত্যান্তই অপৰিহাৰ্য । বিভাগটোৰ ছাত্ৰী প্ৰিয়া হোকাই আৰু সামবেদী শইকীয়াই গীত পৰিৱেশন ; জুলি বৰাই নৃত্য প্ৰদৰ্শন কৰি জীপাল কৰা সন্মিলনখনিত প্ৰাক্তন ছাত্ৰী নমিষা ভূঞাই নিজৰ বক্তব্য প্ৰকাশত নৰৈ মহাবিদ্যালয়ত শিক্ষা গ্ৰহণৰ অভিজ্ঞতা আৰু শিক্ষাগুৰুসকলৰ আন্তৰিক সহযোগিতাক স্বীকাৰ কৰি নষ্টালজিক হৈ পৰে । অসমীয়া বিভাগৰ উত্তৰণৰ লগতে মহাবিদ্যালয়খনৰ সৰ্বাংগীন উন্নতিত প্ৰাক্তন শিক্ষাৰ্থীসকলে অকুন্ঠ চিতে সহায় কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰা সভাখনত সভাপতি মহোদয়াৰ সাৰুৱা ভাষণেৰে সমাপন ঘোষণা কৰে । অনুষ্ঠানত নৰৈ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ৰীতা শৰ্মা, সহকাৰী অধ্যাপক-অধ্যাপিকা ক্ৰমে ৰাতুল শইকীয়া, সাগৰ চুবেদী,দেবযানী বৰা, সুকন্যা বৰা প্ৰমুখ্যে কৰ্মচাৰী সকল উপস্থিত থাকে ।

**Alumni Meet, Department of Assamese, 2019**



**Meeting of Alumni Meet**



**Alumni of Assamese Department**